*Total no. of printed pages : 8* *1102/24-25*

# Annual Examination, 2024-25

## Class : VII

## Subject : English

**Time : 3 hours** **Total marks : 100**

*(The figures in the margin indicate full marks for the questions.)*

Choose the correct answers from the given alternatives and write them separately. **(from question no. 1 to 15)**

1×15=15

1. Leonardo's famous portrait 'Mona Lisa' is now preserved at the–

   A) British Museum B) Louvre Museum

   C) Vatican Museum D) Van Gogh Museum

2. The poet of the poem 'Try Again' is–

   A) C. J. Heck B) Eleanor Farjeon

   C) W. E. Hickson D) Robert Frost

3. "The Temple City of India" is–

   A) Cuttack B) Bangalore

   C) Kanyakumari D) Bhubaneswar

4. "She is the nicest girl I've ever met and it's sad to see her ____." Fill the blank.

   A) cry B) smile

   C) laugh D) frown

5. Jim Corbett died in–

   A) India B) Kenya

   C) England D) South Africa

6. Hailey National Park was renamed as Ramganga National Park in the year–

A) 1954-55 B) 1936

C) 1955-56 D) 1947

7. Leonardo da Vinci was born in the year–

A) 1449 B) 1450

C) 1451 D) 1452

8. The Vivek Express train takes about ____ hours to reach Kanyakumari from Dibrugarh. Fill the blank.

A) 83 B) 93

C) 43 D) 53

9. Leonardo spent his early years with his–

A) father B) grandparents

C) mother D) maternal uncle

10. The word "Persevere" means–

A) to keep crying B) to continue trying

C) to continue sleeping D) to keep neglecting

11. The ship was bound ___ India. Fill the blank with correct preposition.

A) to B) of

C) for D) with

12. I will not go to school ___. Fill the blank.

A) if it will rain B) if it rains

C) if the rain comes D) if it is raining



*Contd.*

13. I warned him ___ driving so fast.

Fill the blank with correct preposition.

A) of B) against

C) from D) for

14. I am satisfied ___ your work. Fill the blank with correct prepositon.

A) with B) by

C) at D) for

15. I have great regard ____ my teacher. Fill the blank with correct prepositon.

A) in B) for

C) to D) with

16. Answer the following questions in complete sentences. 1×4=4

a) Where does Mr. Aditya Sarma work ?

b) Why do the other children tease the girl ?

c) What did Leonardo create on the shield ?

d) What should we do if we don't succeed at first ?

17. Give brief answer to the following questions. (**any three**) 2×3=6

a) What were Corbett's conditions for hunting man-eaters?

b) Why was Jim Corbett called a good tracker ?

c) What does the grandmother say about the children ?

d) What did Leonardo do as an anatomist ?

e) What are the landmarks of Kanyakumari ?

18. Change the form of narration of the following. 1×3=3

a) The boy said to me, "I have lost my pen."

b) Rashmi said to me, "I shall meet Kangkana tomorrow."

c) The teacher said, "The sun sets in the west."

19. Change the voice of the following sentences. 1×3=3

a) I am reading the Mahabharata.

b) My brother knows the answer.

c) Mother is cooking dinner.

20. Name the tense of the underlined verbs in the following sentences. ½×4=2

a) The news <u>spread</u> quickly.

b) She <u>has been writing</u> her new book for the last six months.

c) The lion <u>had been roaring</u> for half an hour when I was in the zoo.

d) I <u>will have completed</u> my homework by 9.30 p.m.

21. Fill in the blanks with modal auxiliaries. ½×6=3

a) His grandfather is ninety, but he ___ still read and write. (ability)

b) You ___ not touch this switchboard. (prohibition)

c) ___ you like to have a cup of tea with me ? (request)

d) The boy ___ to fight with his strong brother. (face boldly)

e) I ___ go for a morning walk near the river. (past habit)

f) We ___ help the poor and the needy. (moral obligation)

22. Correct the following sentences. (any two) 1×2=2

a) We bought some new furnitures.

b) The police is looking for the thieves.

c) Her socks is white.

d) All my luggage are on the table.

e) Rice are an important crop in our country.

23. State whether the underlined part is a phrase or a clause. $\frac{1}{2} \times 4 = 2$

a) I was playing cricket at that time.

b) I know the man who is sitting in the corner.

c) She is a girl with curly hair.

d) I will not go out if he comes.

24. Fill in the blanks with the correct form of the verbs given in brackets. $\frac{1}{2} \times 4 = 2$

a) My brother always wakes up if he ___ (hear) any noise.

b) If you ___ (see) her, please ask her to meet me.

c) If he comes, I ___ (go) for a walk.

d) If I ___ (know) this, I would not have made such a mistake.

25. Choose the correct alternatives from the brackets and rewrite the sentences. $1 \times 5 = 5$

a) My class teacher (wants / is wanting) to meet my parents.

b) We (have watched / watched) the movie last night.

c) Look at the black clouds. It (will rain / is going to rain)

d) She (did / has done) a lot of work today.

e) I (do not eat / have not eaten) the chocolates yet.

26. Do as directed. $1 \times 4 = 4$

a) This novel costs three hundred rupees.
(Ask a question using "How much")

b) He went to Delhi last month.
(Ask a question using "When")

c) She has five storybooks.
(Ask a question using "How many")

d) She went to Delhi with her parents.
(Ask a question using "With whom")

27. Make sentences with the following. $1 \times 4 = 4$

look up, keep down, at sixes and sevens, at the eleventh hour

28. Write an article on any one of the following topics. 10

a) The habit of reading books.

b) Your school library.

29. Read the following passage carefully and answer the questions given below it.

Many years ago there lived a brave king named Robert Bruce in Scotland. He fought many battles and won them. But in one such battle he was badly defeated. He ran away from the battlefield to save his life. He hid himself in a cave near a mountain range. He was in great despair and he gave up all his hope. One day he was sitting mournfully inside the cave. Suddenly he saw a spider. The spider was trying to climb up to the roof of the cave. But it was not an easy task for the tiny spider and it failed in its repeated attempts. Bruce was minutely observing the activity of the spider and he noticed that after six attempts, the spider finally succeeded in reaching the roof. Bruce learnt a big lesson from this incident. He was encouraged to face his enemy with new strength. He organised his army one more time, fought courageously and succeeded in making his country free.



*Contd.*

Questions :

a) Where did Robert Bruce rule ? 1

b) Why did he run away from the battlefield ? 1

c) Where did he hide himself ? 1

d) What was the spider trying to do ? 1

e) After how many attempts was the spider successful in reaching the roof ? 1

30. Do as directed. ½×10=5

a) Form a new word from each of the following.
water + proof, Out + burst

b) Add a prefix to the following words.
national, principal, able

c) Add suffix to the following words.
speak, dark, hunt

d) Fill the blanks with collective nouns.
a ____ chickens, a ____ of snakes.

31. Translate the following sentences into English. 1×10=10

i) তুমি সাঁতুৰিব জানানে?

ii) দেউতা আহি পোৱাৰ পাছত মই কামটো শেষ কৰিছিলোঁ।

iii) তেতিয়া আমাৰ ভাগৰ লাগিছিল।

iv) মানুহজন কেতিয়া আহি পালে?

v) তাত থিয় হৈ থকা মানুহজন মোৰ খুৰা।

vi) ল'ৰাজনক যাবলৈ দিয়া।

vii) মই খেলপথাৰ পোৱাৰ আগতেই খেল আৰম্ভ হৈছিল।

viii) আমি আমাৰ দেশক ভালপোৱা উচিত।

ix) মই অহাৰ সময়ত তোমালোকে কি কৰি আছিলা?

x) তুমি কালি কিয় স্কুললৈ অহা নাছিলা?

32. Reading. (continuous evaluation) 5

33. Spelling and dictation. (continuous evaluation) 10

★★★

# বছৰেকীয়া পৰীক্ষা, ২০২৪-২৫

## শ্ৰেণী : সপ্তম

## বিষয় : অসমীয়া

সময় : ৩ ঘণ্টা মুঠ মূল্যাংক : ১০০

*(সোঁফালে থকা সংখ্যাই প্ৰতিটো প্ৰশ্নৰ বাবে নিৰ্ধাৰিত মূল্যাংক বুজাইছে।)*

১। অতি চমু উত্তৰ লিখা : (যিকোনো দহটাৰ) ১×১০=১০

ক) ধনসিং ক্ৰ'ৰ ভনীয়েকৰ নাম কি?

খ) অসমীয়া সাহিত্য জগতত 'ভাঙনি কোঁৱৰ' বুলি কাক জনা যায়?

গ) বৰ্তমান সময়ত জোনবিল মেলা কেতিয়া অনুষ্ঠিত হয়?

ঘ) 'অৰ্জুন-ভঞ্জন'ৰ আন এটি নাম কি?

ঙ) 'মিলন' আলোচনীত কি ছদ্মনামত সীতানাথ ব্ৰহ্মচৌধুৰীয়ে কবিতা লিখি আলোড়নৰ সৃষ্টি কৰিছিল?

চ) কাগজ আৰু কলমে কিহৰ ছেৱত যুদ্ধত নামিছিল?

ছ) ঢোলৰ মেখেলা কাক বোলে?

জ) চৰাইৰ তৈলগ্ৰন্থি ক'ত থাকে?

ঝ) 'বনফুল' কবিতাপুথিখনৰ ৰচক কোন?

ঞ) বীৰঝৰা হাইস্কুল কেতিয়া প্ৰতিষ্ঠা হৈছিল?

ট) পৃথিৱীত কিমানবিধ প্ৰজাতিৰ চৰাই আছে?

২। তলত দিয়া প্ৰশ্নবোৰৰ উত্তৰ লিখা : (যিকোনো চাৰিটাৰ) ২×৪=৮

ক) কাৰ্বি সমাজত ৰাজতন্ত্ৰ কিদৰে বৰ্তি আছে?

খ) বিলখনৰ নাম 'জোনবিল' কেনেদৰে হ'ল?

গ) কৃষ্ণক ধৰিবলৈ খেদি ফুৰোঁতে যশোদাৰ অৱস্থা কেনে হৈছিল?

ঘ) ঢোলৰ কোবনি আৰু তালি বুলিলে কি বুজা?

ঙ) অসমীয়া কোন—এই সম্পৰ্কে সীতানাথ ব্ৰহ্মচৌধুৰীয়ে কি মন্তব্য কৰিছিল?



(পিছপিঠিত)

৩। তলত দিয়া যিকোনো এটি কবিতাৰ মূলভাব লিখা : ৪

ক) সুখ খ) শ্রীশংকৰদেৱ

৪। প্রসংগ-সংগতি দর্শাই ব্যাখ্যা কৰা : ৪

ক) পৰৰ অভাৱ, পৰৰ দুখত
হিয়া যদি পমি যায়,
পৰক আপোন কৰিব পাৰিলে
সংসাৰত দুখ নাই।

*অথবা*

খ) তেওঁ যি সমন্বয়ৰ ভেটি গঢ়ি থৈ গ'ল সিয়ে তেওঁক সমন্বয়ৰ প্রতীকৰূপে আমাৰ মাজত চিৰস্মৰণীয় কৰি ৰাখিব।

৫। চমুটোকা লিখা : (যিকোনো দুটাৰ) ৩×২=৬

ক) ৰংবং তেৰাং খ) টুচু পূজা গ) সাঁচিপাত

৬। অর্থ লিখা : ১×৪=৪

গৰিমা, নিয়াৰি, ককর্থনা, বিস্তৃত

৭। তলত উল্লেখ কৰা উৎসৱ দুটা ক'ত আৰু কেতিয়া উদ্‌যাপিত হয় লিখা : ২×২=৪

ক) বোকা ভাওনা খ) ভঠেলি

৮। ক) সমার্থক শব্দ লিখা : ১×৩=৩
খৰিয়াল, বিল, চিয়াহী

খ) সন্ধি ভাঙা আৰু গঢ়া : ১×৩=৩
কার্য্যালয়, নিষ্কলুষ, উত্তৰ + উত্তৰ

গ) বিপৰীত শব্দ লিখা : ১×২=২
বন্দী, অভিশাপ

ঘ) ব্যাসবাক্যসহ সমাসৰ নাম লিখা : ১×২=২
দেৱালয়, পুণ্যভূমি

 (ক্রমশঃ)

ঙ) উদাহৰণত দেখুওৱাৰ দৰে বাকীকেইটা কৰা : ১×২=২

উদাহৰণ : পৰ্বত + ঈয়া = পৰ্বতীয়া

নিয়ম + ঈয়া =

গৰুৰথ্ + ঈয়া =

চ) এটা শব্দত প্ৰকাশ কৰা : ১×৩=৩

অ) বাঁহ-বেতৰ সামগ্ৰী তৈয়াৰ কৰে যিয়ে =

আ) লুপ্ত হৈছে যি =

ই) বনত থাকে যি =

ছ) বাক্য ৰচনা কৰা : ১×৩=৩

মিট্‌মাট্ কৰ, পিছে-পৰে, বয়-বস্তু

জ) ভাব বহলাই লিখা : (যিকোনো এটাৰ) ৪

অ) আপোন ভালেই জগত ভাল।

আ) কিনা হাঁহৰ ঠোঁটলৈকে মঙহ।

৯। তলৰ যিকোনো এটি বিষয় বাছি লৈ এখনি ৰচনা লিখা : ৮

ক) অসমৰ প্ৰাকৃতিক সৌন্দৰ্য্য
(আৰম্ভণি—ঋতু অনুযায়ী বৰ্ণনা—প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ধনৰ বাবে ল'ব লগা পদক্ষেপ—সামৰণি)

খ) তোমাৰ জীৱনৰ লক্ষ্য
(আৰম্ভণি—জীৱনৰ লক্ষ্য—লক্ষ্য প্ৰাপ্তিৰ বাবে চলোৱা প্ৰস্তুতি—সামৰণি)

## দ্ৰুতপাঠ

১০। উত্তৰ লিখা :

ক) মহাবীৰ কৰ্ণৰ জন্মদাত্ৰী কোন? ১

খ) ভগদত্ত ক'ৰ ৰজা আছিল? ১

গ) 'দেৱদত্ত' নামৰ শংখটো কোনে বজাইছিল? ১

ঘ) অৰ্জুনৰ ৰথৰ সাৰথি কোন আছিল? ১

ঙ) কৃষ্ণই হাতত লৈ থকা চক্ৰটোৰ নাম কি? ১

চ) শকুনিৰ কাৰ হাতত মৃত্যু হৈছিল? ১

ছ) ভীমে কাৰ আৰু কিয় ৰক্তপান কৰিছিল? ২

জ) অভিমন্যু কাৰ পুত্ৰ আছিল? তেওঁক কোনে বধ কৰিছিল? ২

১১। শ্ৰুতলিপি। (পূৰ্বে সম্পন্ন হৈছে।) ১০

১২। অভিধান প্ৰকল্প। (পূৰ্বে সম্পন্ন হৈছে।) ১০

★★★

# বছৰেকীয়া পৰীক্ষা, 2024-25

শ্ৰেণী : সপ্তম

বিষয় : গণিত

মুঠ সময় : 3 ঘণ্টা মুঠ মূল্যাংক : 100

## 'ক' অংশ

মূল্যাংক : 20

(প্ৰতিটো প্ৰশ্নৰ মূল্যাংক 1)

সময় : 25 মিনিট

নাম :

ৰোল নং : শাখা :

| নিৰীক্ষকৰ স্বাক্ষৰ : | প্ৰাপ্ত নম্বৰ : |
|---|---|
| তাৰিখ : | পৰীক্ষকৰ স্বাক্ষৰ : |

নিৰ্দেশাৱলী :

1. ওপৰত দিয়া স্থানত তোমাৰ নাম, শাখা আৰু ৰোল নম্বৰ স্পষ্টকৈ লিখিবা।
2. প্ৰতিটো প্ৰশ্নৰ A, B, C আৰু D আখৰেৰে চিহ্নিত চাৰিটা বিকল্প দিয়া আছে আৰু তাৰে এটা শুদ্ধ।
3. দাঁতিত দিয়া বাকচটোত ☐ শুদ্ধ উত্তৰ বুজোৱা আখৰটো বহুৱাবা।
4. উত্তৰ কাকতখন 25 মিনিটৰ ভিতৰত নিৰীক্ষকৰ হাতত জমা দিবা।
5. উদাহৰণ :

$\frac{2}{3} \times 0$ৰ মান—

A) $\frac{2}{3}$ B) 1 C) $\frac{3}{2}$ D) 0 [D]

ইয়াত শুদ্ধ উত্তৰটো '0'ৰ ঠাইত 'D' আখৰটো সোঁহাতৰ বাকচত লিখা হৈছে। এনে ধৰণে উত্তৰ লিখিবা।

1. এটা ত্ৰিভুজৰ দুটা কোণৰ মাপৰ সমষ্টি তৃতীয় কোণৰ সমান। তেন্তে তৃতীয় কোণটোৰ মাপ হ'ব—

A) $45^0$ B) $30^0$ C) $60^0$ D) $90^0$ ☐

2. এটা সমদ্বিবাহু ত্ৰিভুজৰ শীৰ্ষকোণটোৰ মাপ $120^0$। তেন্তে ভূমি সংলগ্ন কোণ দুটাৰ প্ৰত্যেকৰে মাপ হ'ব—

A) $30^0, 30^0$ B) $35^0, 35^0$ C) $45^0, 45^0$ D) $60^0, 60^0$ ☐

3. তলৰ কোনটো উক্তি সত্য?

A) সকলো সদৃশ চিত্ৰই সদায় সৰ্বসম।

B) সকলো সৰ্বসম চিত্ৰ সদায় সদৃশ।

C) দুটা বৃত্ত সৰ্বসম হ'ব যদিহে সিহঁতৰ কেন্দ্ৰ একেটাই হয়।

D) দুডাল ৰেখাখণ্ড সদায় সৰ্বসম।

4. তলৰ কোনটো ত্ৰিভুজৰ সৰ্বসমতাৰ চৰ্ত নহয়?

A) কোণ-কোণ-বাহু
B) কোণ-কোণ-কোণ
C) বাহু-বাহু-বাহু
D) বাহু-কোণ-বাহু

5. এজন মানুহে P টকা বছৰি R% সুতৰ হাৰত T বছৰৰ বাবে ধাৰলৈ ল'লে। তেওঁ দিবলগীয়া সৰল সুতৰ পৰিমাণ হ'ব—

A) $\frac{P \times 100}{R \times T}$
B) $\frac{R \times T}{P \times 100}$
C) $\frac{P \times T \times R}{100}$
D) $\frac{100}{P \times T \times R}$

6. 10, 38, x, 42, 10, 4 আৰু 2 ৰ মাধ্য 18 হ'লে x ৰ মান হ'ব—

A) 7
B) 10
C) 18
D) 20

7. এটা মুদ্ৰা 200 বাৰ টচ কৰোঁতে 115 বাৰ মুণ্ড পোৱা গ'ল। মুদ্ৰাটো এবাৰ টচ কৰিলে পুচ্ছ পোৱাৰ সম্ভাৱিতা—

A) $\frac{23}{40}$
B) $\frac{17}{40}$
C) $\frac{23}{50}$
D) $\frac{17}{50}$

8. $4x^2y^2, 2xy^3z, \frac{1}{2}x^2z^2$ ৰ পূৰণফল হ'ল—

A) $8x^2y^3z$
B) $4x^5y^5z^3$
C) $4x^4y^5z^2$
D) $8x^5y^5z^3$

9. $7x^3 - 4x^2 + 8x - 3$ ৰাশিটোত $x^2$ ৰ সহগ হ'ল—

A) 7
B) 4
C) $-4$
D) 2

10. এটা ত্ৰিভুজৰ ভূমি আৰু উন্নতি ক্ৰমে 8 ছেমি. আৰু 11 ছেমি. হ'লে ত্ৰিভুজটোৰ কালি হ'ব—

A) 44 ছেমি.$^2$
B) 44 ছেমি.
C) 88 ছেমি.$^2$
D) 88 ছেমি.

11. 6.0162 ক শতাংশত প্ৰকাশ কৰিলে হ'ব—

A) 6.0162%
B) 60.162%
C) 601.62%
D) 6016.2%

12. $3\frac{1}{4}$ ক দশমিক ভগ্নাংশত প্ৰকাশ কৰিলে হ'ব—

A) 0.0325
B) 0.325
C) 3.25
D) 0.00325

13. দুটা ৰাশিৰ অনুপাত 4 : 7। প্ৰথম ৰাশিটো 16 হ'লে দ্বিতীয় ৰাশিটো হ'ব—

A) 7 B) 16 C) 28 D) 11

14. এজন বেপাৰীয়ে এটা ৰেডিঅ' 480 টকাত কিনি আনি কিমান টকাত বিক্ৰী কৰিলে 80 টকা লাভ হ'ব?

A) 400 টকা B) 560 টকা C) 100 টকা D) 520 টকা

15. 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা। বিকল্পবোৰৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা :

| 'ক'-অংশ | 'খ'-অংশ |
|---|---|
| i) $7x^2y^2z$ | a) দ্বিপদ |
| ii) $x + y + z$ | b) ত্ৰিপদ |
| iii) $\frac{5}{7}x - \frac{1}{2}$ | c) একপদ |

A) i) → a), ii) → b), iii) → c)

B) i) → c), ii) → b), iii) → a)

C) i) → b), ii) → c), iii) → a)

D) i) → c), ii) → a), iii) → b)

**নিৰ্দেশনা : প্ৰশ্ন নং 16 ৰ পৰা 20লৈ প্ৰশ্নসমূহ ইংৰাজী ভাষাত দিয়া হৈছে। কোনো শিক্ষাৰ্থীয়ে এই প্ৰশ্নকেইটাৰ সলনি অসমীয়া ভাষাত দিয়া বিকল্প প্ৰশ্নকেইটাৰ উত্তৰ কৰিব পাৰিব।**

16. The value of 1 $m^2$ is –

A) 100 $cm^2$ B) 1000 $cm^2$ C) 10000 $cm^2$ D) 100000 $cm^2$

17. Let 'a' unit be the length of a side of an equilateral triangle. Then perimeter of the equilateral triangle is –

A) 3a units B) $a^3$ units C) $a^2$ units D) 2a units

18. The value of 30% of 370 metres is –

A) 70 m B) 100 m C) 111 m D) 259 m

19. Find the third proportional of 8, 12 is –

A) 8 B) 12 C) 18 D) 144

20. a : b is called a ratio of greater inequality if –

A) a > b　　B) a < b

C) a = b　　D) None of the above

[প্ৰশ্ন নং 16ৰ পৰা 20লৈ বিকল্প প্ৰশ্ন ]

16. a : b ক একক অনুপাতত থকা বুলি কোৱা হয়, যদিহে—

A) a > b　　B) b = 1　　C) a = b　　D) a = 1

17. 1 হেক্টৰৰ মান হ'ল—

A) 10000 মি.$^2$　　B) 10000 ছেমি.$^2$　　C) 100 মি.$^2$　　D) 100 ছেমি.$^2$

18. এটা বৰ্গৰ প্ৰতিটো বাহুৰ দীঘ x একক হ'লে বৰ্গটোৰ পৰিসীমা হ'ব—

A) 3x একক　　B) $x^4$ একক　　C) 4x একক　　D) 2x একক

19. 4 আৰু 36ৰ মাধ্য সমানুপাতী হ'ল—

A) 6　　B) 9　　C) 12　　D) 16

20. 200ৰ 30%ৰ মান হ'ব—

A) 60　　B) 30　　C) 20　　D) 15

★★★

# বছৰেকীয়া পৰীক্ষা, 2024-25

## শ্ৰেণী : সপ্তম

## বিষয় : গণিত

**মুঠ সময় : 3 ঘণ্টা** **মুঠ মূল্যাংক : 100**

*(সোঁফালে থকা সংখ্যাই প্ৰতিটো প্ৰশ্নৰ বাবে নিৰ্ধাৰিত মূল্যাংক বুজাইছে।)*

## 'খ' অংশ

**মূল্যাংক : 80**

**সময় : 2 ঘণ্টা 35 মিনিট**

1. কোন সংখ্যাৰ 5% ৰ মান 70 ? 2

2. ABC সমকোণী ত্ৰিভুজৰ $\angle B = 90^0$, যদি AB = 6 ছেমি., BC = 8 ছেমি., তেন্তে AC ৰ মাপ উলিওৱা। 2

3. দেখুওৱা যে সমবাহু ত্ৰিভুজৰ প্ৰতিটো কোণৰ মাপ $60^0$। 2

4. $2ab + 4bc - 5ca$ ৰ লগত কি যোগ কৰিলে $5ab - bc + 3ca$ হ'ব? 2

5. বিস্তাৰ কৰা : 2

   $(3a + 4)^2$

6. পূৰণফল উলিওৱা : 2

   $(2x + 5)(x - 2)$

7. প্ৰথমটোৰ পৰা দ্বিতীয়টো বিয়োগ কৰা : 2

   $4x^2 + 9,\ 2x^2 - 6x$

8. এটা বৰ্গৰ পৰিসীমা 72 ছেমি.। বৰ্গটোৰ কালি নিৰ্ণয় কৰা। 2


9. এক ডজন পেঞ্চিলৰ দাম 40 টকা। 90 টকাৰে কেইডাল পেঞ্চিল কিনিব পৰা যাব? 2

10. এটা সমবাহু ত্রিভুজৰ বাহুৰ মাপ 5.5 ছেমি.। ত্রিভুজটো অংকন কৰা। 2


11. এটা বৃত্তৰ কালি 154 ছেমি.$^2$। বৃত্তটোৰ ব্যাস উলিওৱা। 2

12. 5 জন মানুহে এটা ঘৰ 15 দিনত সাজিব পাৰে। 3 জন মানুহে কিমান দিনত সেই ঘৰটো সাজিব পাৰিব? 2

13. কাষৰ চিত্রত AB আৰু PQ ৰেখাখণ্ডই ইহঁতৰ মধ্যবিন্দুত ছেদ কৰিছে। দেখুওৱা যে $\Delta AOP \cong \Delta BOQ$ আৰু $PA = QB$। 3




14. কাষৰ চিত্রৰ পৰা x আৰু y ৰ মান নির্ণয় কৰা। 3




15. 3000 টকাৰ শতকৰা বছৰি 10 টকা সুতৰ হাৰত 4 বছৰৰ সৰল সুত আৰু সবৃদ্ধিমূল উলিওৱা। 3

16. শতকৰা বছৰি কি সুতৰ হাৰত 750 টকাৰ 3 বছৰৰ সৰল সুত 135 টকা হ'বগৈ? 3

17. এটা ত্রিভুজৰ দুটা কোণৰ মাপ $60^0$ আৰু $65^0$ আৰু এই কোণ দুটাৰ মাজৰ বাহুটোৰ মাপ 7 ছেমি.। ত্রিভুজটো অংকন কৰা। 3

18. এডাল যিকোনো ৰেখা PQ আঁকা। PQ ৰেখাৰ বাহিৰত থকা যিকোনো এটা বিন্দু M লোৱা। M বিন্দুৰ মাজেৰে যোৱাকৈ PQ ৰ সমান্তৰাল এডাল ৰেখা অংকন কৰা। 3

19. এটা শ্ৰেণীৰ ছয়মাহিলি পৰীক্ষাত এখন বিদ্যালয়ৰ 6 গৰাকী শিক্ষাৰ্থীয়ে মুঠ 600 নম্বৰৰ ভিতৰত লাভ কৰা নম্বৰ এনে ধৰণৰ : 3

| শিক্ষাৰ্থী : | পৰাণ | হৃদয় | পাকিজা | প্ৰিয়ংকা | বৰুণ | গগন |
|---|---|---|---|---|---|---|
| প্ৰাপ্ত নম্বৰ : | 530 | 475 | 550 | 450 | 500 | 420 |

এই তথ্যখিনিৰ দণ্ডলেখ অংকন কৰা।

20. $3x^2y - 4xy^3 + 7x - 5$ ৰাশিটোত কিমানটা পদ আছে? পদবোৰ লিখা। 3

21. সৰল কৰি মান নিৰ্ণয় কৰা : 3

$5a(5a - 2b) + 2b(5a - 2b)$ যদি $a = 2, b = 1$

22. এখন চাইকেলৰ চকাৰ ব্যাস 84 ছেমি.। চাইকেলখনে কিমান দূৰত্ব অতিক্ৰম কৰিব যদি প্ৰতিটো চকা 200 পাক ঘূৰে? 3

23. এটা সামান্তৰিকৰ ভূমি উন্নতিৰ দুগুণ। সামান্তৰিকটোৰ কালি 128 ছেমি.$^2$ হ'লে ভূমি আৰু উন্নতিৰ মান উলিওৱা। 3

24. এজন ব্যৱসায়ীয়ে 7250 টকাত এটা আলমিৰা কিনি 15% লাভ লৈ বিক্ৰী কৰিলে। আলমিৰাটোৰ বেচাদাম উলিওৱা। 3

25. এজন দোকানীয়ে 10 খন চকী কিনি আনি প্ৰতিখনতে 40 টকাকৈ লাভ কৰি বিক্ৰী কৰিলে। যদি আটাইকেইখন চকীৰ মুঠ বেচাদাম 5620 টকা, তেন্তে প্ৰতিখন চকীৰ কিনাদাম উলিওৱা। 3

26. এজন মানুহে তেওঁৰ 4,50,000 টকাৰ সম্পত্তি তিনিজন পুতেকৰ মাজত ক্ৰমে 25%, 30%, 45% হিচাপত ভগাই দিলে। প্ৰতিজনে পোৱা সম্পত্তিৰ মূল্য উলিওৱা। 3

27. এটা কেম্পত 1200 জন সৈন্যৰ 25 দিনৰ খাদ্যবস্তু আছিল। 10 দিনৰ পাছত তালৈ আৰু 300 জন সৈন্য আহিল। বাকী খাদ্যৰে সৈন্যসকলৰ আৰু কিমান দিন চলিব? 3

28. সৰল সুতত কোনো নিৰ্দিষ্ট মূলধনৰ 3 বছৰৰ মূৰত সবৃদ্ধিমূল 4745 টকা আৰু 5 বছৰৰ মূৰত সবৃদ্ধিমূল 5475 টকা হয়। মূলধন আৰু বছৰি সুতৰ হাৰ নিৰ্ণয় কৰা। 4

29. এখন আয়তাকাৰ পাৰ্ক 50 মি. দীঘল আৰু 35 মি. বহল। পাৰ্কখনৰ সীমাৰ বাহিৰেদি চাৰিওফালে 2.5 মি. বহল এটা পথ আছে। পথটোৰ কালি নিৰ্ণয় কৰা। পথটো নিৰ্মাণ কৰোঁতে প্ৰতি বৰ্গমিটাৰত 120 টকাকৈ মুঠ খৰচ কিমান হ'ব উলিওৱা। 4

30. Define : $1 \times 3 = 3$

i) Simple Interest

ii) Range

iii) Constant

*নাইবা*

তলৰ প্ৰশ্নকেইটাৰ উত্তৰ কৰা : $1 \times 3 = 3$

i) এজন বেটছমেনৰ 10 টা ইনিংছৰ ৰাণ তলত দিয়া ধৰণৰ :
35, 23, 95, 67, 72, 119, 60, 45, 15, 85
তথ্যখিনিৰ বিস্তাৰ কিমান?

ii) বহুপদ কাক বোলে?

iii) ঐকিক পদ্ধতি কাক বোলে?

★★★

# বছৰেকীয়া পৰীক্ষা, 2024-25

শ্ৰেণী : সপ্তম

বিষয় : বিজ্ঞান

মুঠ সময় : 3 ঘণ্টা | মুঠ মূল্যাংক : 100

'ক' অংশ

মূল্যাংক : 20

সময় : 25 মিনিট

নাম :

ৰোল নং : শাখা :

| নিৰীক্ষকৰ স্বাক্ষৰ : | প্ৰাপ্ত নম্বৰ : |
|---|---|
| তাৰিখ : | পৰীক্ষকৰ স্বাক্ষৰ : |

নিৰ্দেশাৱলী :

1. ওপৰত দিয়া স্থানত তোমাৰ নাম, শাখা আৰু ৰোল নম্বৰ স্পষ্টকৈ লিখিবা।
2. প্ৰতিটো প্ৰশ্নৰ A, B, C আৰু D আখৰেৰে চিহ্নিত চাৰিটা বিকল্প দিয়া আছে আৰু তাৰে এটা শুদ্ধ।
3. দাঁতিত দিয়া বাকচটোত ☐ শুদ্ধ উত্তৰ বুজোৱা আখৰটো বহুৱাবা।
4. উত্তৰ কাকতখন 25 মিনিটৰ ভিতৰত নিৰীক্ষকৰ হাতত জমা দিবা।
5. উদাহৰণ :

   ছ'ডিয়ামৰ সাংকেতিক চিহ্ন হ'ল—

   A) Na B) N C) H D) K [A]

   ইয়াত শুদ্ধ উত্তৰ 'Na'ৰ ঠাইত 'A' আখৰটো সোঁহাতৰ বাকচত লিখা হৈছে। এনে ধৰণে উত্তৰ লিখিবা।

1. চাবোন পানীৰ দ্ৰৱত হালধি গুড়ি যোগ কৰিলে দ্ৰৱৰ বৰণ _____ হয়।

   A) নীলা B) হালধীয়া C) ৰঙা D) সেউজীয়া ☐

2. প্ৰশমন হ'ল— ☐

   A) এছিড আৰু ক্ষাৰকৰ মাজৰ বিক্ৰিয়া

   B) এছিড আৰু লৱণৰ মাজৰ বিক্ৰিয়া

   C) ক্ষাৰক আৰু লৱণৰ মাজৰ বিক্ৰিয়া

   D) এছিড আৰু পানীৰ মাজৰ বিক্ৰিয়া

3. চূণ পানীত থকা ক্ষাৰকবিধ হ'ল— ☐

   A) মেগনেছিয়াম হাইড্ৰ'ক্সাইড

   B) কেলছিয়াম হাইড্ৰ'ক্সাইড

   C) এম'নিয়াম হাইড্ৰ'ক্সাইড

   D) পটেছিয়াম হাইড্ৰ'ক্সাইড

4. ৰাসায়নিক পৰিবৰ্তনৰ ক্ষেত্ৰত তলৰ কোনটো অশুদ্ধ?

A) তাপ উৎপন্ন হ'ব পাৰে
B) বৰণৰ পৰিবৰ্তন হ'ব পাৰে
C) অকল অৱস্থাৰ পৰিবৰ্তন ঘটিব পাৰে
D) তাপ শোষিত হ'ব পাৰে

5. ____ আৰু ____ ৰ উপস্থিতিত আইৰনত মামৰে ধৰে।

A) জলীয় বাষ্প আৰু নাইট্ৰ'জেন
B) জলীয় বাষ্প আৰু অক্সিজেন
C) অক্সিজেন আৰু নাইট্ৰ'জেন
D) কাৰ্বন ডাইঅক্সাইড আৰু অক্সিজেন

6. আধাৰ শিল বুলি কোৱা স্তৰটো হ'ল—

A) A স্তৰ
B) C স্তৰ
C) B স্তৰ
D) R স্তৰ

7. ভাৰতৰ জাতীয় কেলেণ্ডাৰখন হ'ল—

A) গ্ৰেগ'ৰীৰ কেলেণ্ডাৰ
B) ভাস্কৰাব্দ কেলেণ্ডাৰ
C) শকাব্দ কেলেণ্ডাৰ
D) A আৰু C

8. 12 ঘণ্টীয়া ঘড়ীৰ ঘণ্টাৰ কাঁটাডাল এদিনত 6 সংখ্যাটোৰ ওপৰত কেইবাৰ পৰিব?

A) এবাৰ
B) দুবাৰ
C) তিনিবাৰ
D) চাৰিবাৰ

9. অত্যধিক বিদ্যুৎপ্ৰবাহ চালিত হোৱাৰ ফলত হ'ব পৰা দুৰ্ঘটনাৰ পৰা ৰক্ষা পাবলৈ তলৰ কোনবিধ আহিলা ব্যৱহাৰ কৰা হয়?

A) এমচিবি
B) এল ই ডি
C) ছুইচ
D) ৰোধ

10. অমিলটো বাছি উলিওৱা :

A) ফিউজ
B) কাট-আউট
C) ছুইচ
D) এমচিবি

11. সমতল দাপোণে সৃষ্টি কৰা প্ৰতিবিম্ব হ'ল—

A) সৎ, থিয় আৰু লক্ষ্যবস্তুতকৈ ডাঙৰ
B) সৎ, থিয় আৰু লক্ষ্যবস্তুৰ সমান আকাৰৰ
C) অসৎ, থিয় আৰু লক্ষ্যবস্তুৰ সমান আকাৰৰ
D) অসৎ, ওলোটা আৰু লক্ষ্যবস্তুৰ সমান আকাৰৰ

12. অৰণ্যত বাস কৰা সিংহ এবিধ—

A) উৎপাদক
B) বিয়োজক
C) উপভোক্তা
D) পৰজীৱী প্ৰাণী

13. অৰণ্যৰ উদ্ভিদৰ শক্তি আহৰণৰ প্ৰধান উৎস হ'ল—

A) চন্দ্ৰ
B) সূৰ্য্য
C) বায়ু
D) পানী

14. বৰ্জিত পানীৰ উপযুক্ত ব্যৱস্থাপনা নাথাকিলে কি হ'ব পাৰে?

A) ৰোগ
B) পানী যোগান ব্যৱস্থা প্ৰদূষিত
C) জল-প্ৰদূষণ
D) ওপৰৰ আটাইবোৰ

15. শৰীৰত কোনবিধ ধাতুৰ পৰিমাণ অধিক হ'লে মিনামাটা ৰোগে দেখা দিয়ে?

A) ছিলভাৰ B) পটেছিয়াম C) মাৰ্কাৰি D) কেলছিয়াম

নিৰ্দেশনা : প্ৰশ্ন নং 16ৰ পৰা 20লৈ প্ৰশ্নসমূহ ইংৰাজী ভাষাত দিয়া হৈছে। কোনো শিক্ষাৰ্থীয়ে এই প্ৰশ্নকেইটাৰ সলনি অসমীয়া ভাষাত দিয়া বিকল্প প্ৰশ্নকেইটাৰ উত্তৰ কৰিব পাৰিব।

16. Chemical symbol of Iron is –

A) Mg B) Ca C) Fe D) F

17. What is the unit of speed in SI ?

A) kilometer/hour B) meter/second C) kilometer/minute D) meter/hour

18. The process of breakdown of rocks by the action of wind, water and sunlight is called–

A) Weathering B) Erosion C) Soil pollution D) Percolation

19. An erect and enlarged image can be formed by–

A) only a convex mirror

B) only a concave mirror

C) only a plane mirror

D) both convex and concave mirrors

20. Who discovered magnetic effect of electric current ?

A) HC Oersted B) Michael Faraday C) Ohm D) Fleming

[প্ৰশ্ন নং 16ৰ পৰা 20লৈ বিকল্প প্ৰশ্ন।]

16. তুতিয়াৰ ৰাসায়নিক নাম হ'ল—

A) আইৰন ছালফেট B) কপাৰ ছালফেট

C) ছ'ডিয়াম ছালফেট D) পটেছিয়াম ছালফেট

17. মাহজাতীয় শস্যৰ বাবে ____ মাটি উপযুক্ত।

A) বালি মাটি B) বোকা মাটি


C) লোম মাটি D) বালি মাটি আৰু বোকা মাটি


18. তলৰ কোনটো শুদ্ধ?


A) $\text{দূৰত্ব} = \frac{\text{দ্ৰুতি}}{\text{সময়}}$ B) $\text{দূৰত্ব} = \frac{\text{সময়}}{\text{দ্ৰুতি}}$


C) $\text{দ্ৰুতি} = \frac{\text{সময়}}{\text{দূৰত্ব}}$ D) দূৰত্ব = দ্ৰুতি × সময়

19. তলৰ কোনটো চিহ্নই এল ই ডিক বুজায়?

A) 

B) 

C) 

D) 

20. আতচী কাচ আচলতে—

A) অবতল লেন্স B) উত্তল লেন্স C) অবতল দাপোণ D) উত্তল দাপোণ

★★★

# বছৰেকীয়া পৰীক্ষা, 2024-25

## শ্ৰেণী : সপ্তম

## বিষয় : বিজ্ঞান

মুঠ সময় : 3 ঘণ্টা মুঠ মূল্যাংক : 100

*(সোঁফালে থকা সংখ্যাই প্ৰতিটো প্ৰশ্নৰ বাবে নিৰ্ধাৰিত মূল্যাংক বুজাইছে।)*

## 'খ' অংশ

**মূল্যাংক : 80**

**সময় : 2 ঘণ্টা 35 মিনিট**

1. এছিডৰ দুটা বৈশিষ্ট্য লিখা। 2

2. মৌ-মাখিয়ে বিন্ধিলে বিষায় কিয়? ইয়াৰ পৰা উপশম পাবলৈ কি কৰিব লাগে? 1+1=2

3. কাটি থোৱা আপেল ক'লা হয় কিয়? এই পৰিবৰ্তনটো ভৌতিক নে ৰাসায়নিক পৰিবৰ্তন? 1+1=2

4. চূণ পানীৰ মাজেৰে কাৰ্বন ডাইঅক্সাইড গেছ যাব দিয়া হৈছে। চূণ পানীৰ কেনেকুৱা পৰিবৰ্তন দেখিবা? কিয় এনে পৰিবৰ্তন হয় লিখা। 1+1=2

5. অন্তঃস্ৰৱণ কি? কোনবিধ মাটিত অন্তঃস্ৰৱণ আটাইতকৈ বেছি হয়? 1+1=2

6. লোম মাটিৰ দুটা বৈশিষ্ট্য লিখা। 2

7. ফিউজ কি? সাধাৰণ ফিউজ ব্যৱহাৰ কৰাতকৈ এমচিবি ব্যৱহাৰ কৰাৰ এটা সুবিধা উল্লেখ কৰা। 1+1=2

8. বিদ্যুৎপ্ৰবাহৰ তাপীয় ক্ৰিয়া কাক বোলে? বিদ্যুৎপ্ৰবাহৰ তাপীয় ক্ৰিয়া ব্যৱহাৰ হোৱা এবিধ সঁজুলিৰ নাম লিখা। 1+1=2

9. বৈদ্যুতিক বাল্বৰ ফিলামেণ্টডাল টাংষ্টেনেৰে তৈয়াৰ কৰা হয় কিয়? 2

10. উত্তল লেন্সত কেনে ধৰণৰ প্ৰতিবিম্ব সৃষ্টি হয় লিখা। 2

11. জলচক্ৰ নিয়ন্ত্ৰণত অৰণ্যই কেনেদৰে সহায় কৰে? 2

12. বায়ু প্ৰদূষণ ৰোধত অৰণ্যৰ গুৰুত্ব কি? 2

13. বৰ্জিত পানী পৰিশোধন কেন্দ্ৰত উৎপাদিত পুতি বা গেদবোৰ কি কৰা হয়? 2

14. বৰ্জিত পানী শোধনৰ প্ৰাথমিক আৰু দ্বিতীয় পৰ্য্যায় দুটাৰ মাজৰ দুটা পাৰ্থক্য লিখা। 2

15. জৈৱ এছিড কি? দুবিধ জৈৱ এছিডৰ নাম লিখা। মাখন, দৈ আৰু ভিনেগাৰৰ সোৱাদ কিয় টেঙা? 1+1+1=3

16. কপাৰ ছালফেটৰ দ্ৰৱত আইৰনৰ গজাল এটা ৰাখিলে দ্ৰৱ আৰু গজালটোৰ কেনে ধৰণৰ পৰিবৰ্তন হয় লিখা। 3

17. পৰীক্ষাৰ দ্বাৰা মাটিৰ আৰ্দ্ৰতা কেনেদৰে প্ৰমাণ কৰিব পাৰি লিখা। 3

18. সৎ প্ৰতিবিম্ব আৰু অসৎ প্ৰতিবিম্বৰ মাজৰ দুটা পাৰ্থক্য উল্লেখ কৰা। পোহৰৰ কি পৰিঘটনাৰ বাবে দাপোণত প্ৰতিবিম্বৰ সৃষ্টি হয়? 2+1=3

19. শকাব্দ কেলেণ্ডাৰৰ মতে বছৰৰ প্ৰথম মাহটো কি আৰু কেতিয়া আৰম্ভ হয়? গ্ৰেগ'ৰীৰ কেলেণ্ডাৰ ভাৰতত কোনে প্ৰচলন কৰিছিল? 2+1=3

20. এখন মটৰ গাড়ীয়ে ৰাতিপুৱা 8 বজাত যাত্ৰা আৰম্ভ কৰি দুপৰীয়া 12 বজাত গন্তব্যস্থান পায়গৈ। গাড়ীখনৰ দ্ৰুতিৰ গড়মান 40 কিমি./ঘণ্টা হ'লে ঠাইখনৰ দূৰত্ব SI এককত উলিওৱা। 3

21. লোৰ গজাল এটাক কি পদ্ধতিৰে বিদ্যুৎচুম্বকলৈ পৰিবৰ্তন কৰিব পাৰি বৰ্ণনা কৰা। 3

22. মাটিৰ পানী শোষণ ক্ষমতা দেখুৱাবলৈ এটা পৰীক্ষা বৰ্ণনা কৰা। 3

23. পোহৰৰ প্ৰতিসৰণ কাক বোলে? বগা পোহৰৰ পৰা কেনেকৈ বৰ্ণালী পাব পাৰি? 1+2=3

24. পানীত আৱৰ্জনাৰ পৰিমাণ হ্ৰাস কৰিবৰ বাবে কি কি ব্যৱস্থা ল'ব পাৰি লিখা। 3

25. বিযোজক বুলিলে কি বুজা? যিকোনো দুবিধ বিযোজকৰ নাম লিখা। অৰণ্যত বিযোজকৰ ভূমিকা কি? $1+1+2=4$

26. তলৰ প্ৰশ্নবোৰৰ উত্তৰ ইংৰাজীত লিখা : $1\times3=3$

i) What is reflection of light ?

ii) Write down the definition of convex lens.

iii) Define time period.

*অথবা*

i) সুষম গতি কাক বোলে? $1\times3=3$

ii) অবতল দাপোণৰ এটা ব্যৱহাৰ লিখা।

iii) চকুৰ 'দৃষ্টি নিবদ্ধ' মানে কি?

## মহান বিজ্ঞানীৰ চানেকি জীৱনৰ

27. ইংলণ্ডৰ ৰ'য়েল ছ'চাইটিৰ দ্বিতীয় ভাৰতীয় সভ্য কোন আছিল? 1

28. ৰামণে কি বিষয়ত ন'বেল বঁটা লাভ কৰিছিল? 1

29. 'বিজ্ঞান আৰু বৈজ্ঞানিক' নামৰ পুথিখন কোনে ৰচনা কৰিছিল? 1

30. 'জি পি ব্ৰেক' কোনে আৱিষ্কাৰ কৰিছিল? 1

31. ভাস্কৰাচাৰ্য্যই গ্ৰহবিলাকৰ গতি সম্পৰ্কে ৰচনা কৰা গ্ৰন্থখনৰ নাম কি? 1

32. 'আৰ্য্যভটীয়ম' নামৰ গ্ৰন্থখনৰ খণ্ড চাৰিটা কি কি লিখা। 2

33. ৰামানুজনে কিয় বিলাতলৈ যাবলৈ ইচ্ছা কৰা নাছিল? 2

34. ৰামণে কি কি বাদ্যযন্ত্ৰৰ ধ্বনি গাণিতিকভাৱে বিশ্লেষণ কৰিছিল? 2

35. বকুল কায়স্থই ৰচনা কৰা 'কিতাবৎ মঞ্জৰী' নামৰ গ্ৰন্থখনত কোনবোৰ কথাৰ বিৱৰণ আছে? 2

36. জ্যোতিপ্ৰসাদ মেধিয়ে পৰিচালনা কৰা দুটা জৰীপৰ নাম লিখা। 2

★★★

# বছৰেকীয়া পৰীক্ষা, 2024-25

শ্ৰেণী : সপ্তম

বিষয় : সমাজ বিজ্ঞান

মুঠ সময় : 3 ঘণ্টা মুঠ মূল্যাংক : 100

'ক' অংশ

মূল্যাংক : 20

সময় : 25 মিনিট

নাম :

ৰোল নং : শাখা :

| নিৰীক্ষকৰ স্বাক্ষৰ : | প্ৰাপ্ত নম্বৰ : |
|---|---|
| তাৰিখ : | পৰীক্ষকৰ স্বাক্ষৰ : |

নৰ্দেশাৱলী :

1. ওপৰত দিয়া স্থানত তোমাৰ নাম, শাখা আৰু ৰোল নম্বৰ স্পষ্টকৈ লিখিবা।
2. প্ৰতিটো প্ৰশ্নৰ A, B, C আৰু D আখৰেৰে চিহ্নিত চাৰিটা বিকল্প দিয়া আছে আৰু তাৰে এটা শুদ্ধ।
3. দাঁতিত দিয়া বাকচটোত ☐ শুদ্ধ উত্তৰ বুজোৱা আখৰটো বহুৱাবা।
4. উত্তৰ কাকতখন 25 মিনিটৰ ভিতৰত নিৰীক্ষকৰ হাতত জমা দিবা।
5. উদাহৰণ :

চুকাফাই চৰাইদেউত কোন চনত ৰাজধানী স্থাপন কৰিছিল?

A) 1253 চনত B) 1254 চনত C) 1263 চনত D) 1228 চনত [A]

ইয়াত শুদ্ধ উত্তৰ '1253 চনত'ৰ ঠাইত 'A' আখৰটো সোঁহাতৰ বাকচত লিখা হৈছে। এনে ধৰণে উত্তৰ লিখিবা।

1. 1498 খৃ.ত পৰ্তুগীজ নাবিক ভাস্ক'-ডা-গামা উপস্থিত হোৱা ভাৰতৰ বন্দৰটো আছিল—

A) কাবেৰীপট্টনম B) কোচি C) কালিকট D) বিশাখাপট্টনম ☐

2. ফৰাচী ইষ্ট ইণ্ডিয়া ক'ম্পেনিৰ মুখ্য প্ৰশাসক আছিল—

A) জ্যাঁ কলবাৰ্ট B) ফ্ৰান্সিছ ডুপ্লে C) ফ্ৰাঁচ'ৱা কেৰণ D) ফ্ৰাঁচ'ৱা মাৰ্টিন ☐

3. বংগদেশত দ্বৈত শাসন প্ৰৱৰ্তন কৰিছিল—

A) ৰ'বাৰ্ট ক্লাইব B) লৰ্ড ৱেলেছলি C) ৱাৰেণ হেষ্টিংছ D) লৰ্ড বেণ্টিংক ☐

4. লৰ্ড কৰ্ণৱালিছৰ শাসনকালত অসমত সংঘটিত বিদ্ৰোহটো আছিল—

A) ফুলগুৰিৰ কৃষক বিদ্ৰোহ  B) চিপাহী বিদ্ৰোহ

C) পিয়লি ফুকনৰ বিদ্ৰোহ  D) মোৱামৰীয়া বিদ্ৰোহ

5. আদালতত মাতৃভাষা আৰু ইংৰাজী ভাষা প্ৰৱৰ্তন কৰা গৱৰ্ণৰ জেনেৰেলগৰাকী আছিল—

A) ৱাৰেণ হেষ্টিংছ  B) লৰ্ড কৰ্ণৱালিছ

C) লৰ্ড বেণ্টিংক  D) লৰ্ড ৱেলেছলি

6. 1773 চনৰ আইন অনুসৰি ইংৰাজ অধিকৃত অঞ্চলৰ প্ৰথমজন গৱৰ্ণৰ জেনেৰেল হৈছিল—

A) ৱাৰেণ হেষ্টিংছ  B) লৰ্ড ৱেলেছলি  C) লৰ্ড কৰ্ণৱালিছ  D) লৰ্ড বেণ্টিংক

7. 'অজামিল উপাখ্যান'ৰ ৰচক—

A) শংকৰদেৱ  B) মাধৱদেৱ  C) হৰিদেৱ  D) দামোদৰদেৱ

8. ভক্তিবাদৰ প্ৰথম প্ৰকাশ হৈছিল—

A) বেদত  B) উপনিষদত  C) আৰণ্যকত  D) গীতাত

9. ছিকিমৰ আদি বাসিন্দা আছিল—

A) লেপ্‌চাসকল  B) নেপালীসকল  C) ভুটীয়াসকল  D) খাচিসকল

10. তেৰ শতিকাৰ আৰম্ভণিতে উত্তৰ-পূব দিশেদি অসমত প্ৰৱেশ কৰা লোকসকল হ'ল—

A) আৰ্য্য  B) টাই-আহোম  C) মৰাণ  D) কছাৰী

11. মৃৎশিল্পৰ প্ৰশিক্ষণ হৈছে—

A) পৰিচালন শিক্ষাৰ উদাহৰণ  B) আইনী শিক্ষাৰ উদাহৰণ

C) বুনিয়াদী শিক্ষাৰ উদাহৰণ  D) বৃত্তিমূলক শিক্ষাৰ উদাহৰণ

12. ছেলভা নামৰ চিৰসেউজীয়া অৰণ্য পোৱা যায়—

A) আমাজান অৱবাহিকাত  B) কংগ' অৱবাহিকাত

C) গংগা অৱবাহিকাত  D) ব্ৰহ্মপুত্ৰ অৱবাহিকাত

13. ভূমধ্যসাগৰীয় জলবায়ুৰ ঠাইবোৰত গ্ৰীষ্মকাল—

A) ঠাণ্ডা আৰু বৃষ্টিহীন হয়  B) ঠাণ্ডা আৰু বৃষ্টিযুক্ত হয়

C) গৰম আৰু বৃষ্টিহীন হয়  D) গৰম আৰু বৃষ্টিযুক্ত হয়

14. টেৰাৰছাক আন কি নামেৰে জনা যায়?

A) শৈশত আঞ্চলিক মাটি B) আন্তঃআঞ্চলিক মাটি C) অশৈশত মাটি D) অপসৃত মাটি

15. তলৰ কোনখন দেশ ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ স্থায়ী সদস্য নহয়?

A) ৰাছিয়া B) ফ্ৰান্স C) জাৰ্মানী D) চীন

নিৰ্দেশনা : প্ৰশ্ন নং 16ৰ পৰা 20লৈ প্ৰশ্নসমূহ ইংৰাজী ভাষাত দিয়া হৈছে। কোনো শিক্ষাৰ্থীয়ে এই প্ৰশ্নকেইটাৰ সলনি অসমীয়া ভাষাত দিয়া বিকল্প প্ৰশ্নকেইটাৰ উত্তৰ কৰিব পাৰিব।

16. The battle of Buxar was held in–

A) 1757 B) 1764 C) 1857 D) 1864

17. Which continent is known as 'Diamond City'?

A) Africa B) Europe C) North America D) Asia

18. Sandstone is an example of–

A) Metamorphic rock B) Sedimentary rock C) Igneous rock D) Limestone

19. World Health Day is observed on–

A) 6th March B) 7th March C) 6th April D) 7th April

20. The full form of SAARC is–

A) South Asian Association for Regional Co-operation

B) South Asian Agency for Regional Co-operation

C) South Asian Association for Regional Co-ordination

D) South Asian Agency for Regional Co-ordination

[প্ৰশ্ন নং 16ৰ পৰা 20লৈ বিকল্প প্ৰশ্ন]

16. ছাৰ্কৰ (SAARC) মুখ্য কাৰ্যালয় ক'ত অৱস্থিত?

A) কাঠমাণ্ডু B) ঢাকা C) নতুন দিল্লী D) ইছলামাবাদ

17. টিপু চুলতান ক'ৰ শাসক আছিল?

A) ক'হিমা B) কৰ্ণাটক C) উৰিষ্যা D) দিল্লী

18. ৰাষ্ট্ৰসংঘ দিৱস পালন কৰা হয়—

A) 25 অক্টোবৰ B) 24 অক্টোবৰ C) 25 নৱেম্বৰ D) 24 নৱেম্বৰ

19. তলৰ কোনখন ঠাইত চুণশিল পোৱা নাযায়—

A) চেৰাপুঞ্জী B) উমৰাংচু C) ডিলাই D) চৰাইদেউ

20. মুৰ্চিদাবাদৰ পৰা মুংগেৰলৈ ৰাজধানী তুলি নিয়া নবাবগৰাকী আছিল—

A) মীৰজাফৰ B) মীৰকাচিম C) মীৰমদন D) মদনলাল

★★★

# বছৰেকীয়া পৰীক্ষা, 2024-25

শ্রেণী : সপ্তম

বিষয় : সমাজ বিজ্ঞান

মুঠ সময় : 3 ঘণ্টা মুঠ মূল্যাংক : 100

*(সোঁফালে থকা সংখ্যাই প্রতিটো প্রশ্নৰ বাবে নির্ধাৰিত মূল্যাংক বুজাইছে।)*

## 'খ' অংশ

মূল্যাংক : 80

সময় : 2 ঘণ্টা 35 মিনিট

1. সম্পূর্ণ বাক্যত উত্তৰ লিখা : 1×5=5

a) সম্রাট জাহাংগীৰে বৃটিছক কোন ঠাইত বাণিজ্যকেন্দ্র স্থাপনৰ অনুমতি দিছিল?

b) নিবনুৱা কাক বোলে?

c) কংগ' অৱবাহিকাৰ অঘৰী লোকসকলক কি বোলে?

d) অপসৃত মাটি কাক বোলে?

e) ভেট' কি?

2. চমু উত্তৰ লিখা : 2×11=22

a) ডেনমার্কৰ ডেনিচসকলে ভাৰতৰ কোন দুখন ঠাইত বাণিজ্য কুঠি পাতিছিল?

b) বক্সাৰ যুদ্ধৰ যিকোনো দুটা গুৰুত্ব লিখা।

c) 'চিৰস্থায়ী বন্দবস্তি' কোনে প্রবর্তন কৰিছিল? ই কিহৰ সৈতে জড়িত লিখা।

d) 'ভাগৱত-পুৰাণ' আৰু 'গীতা'ৰ মূল তত্ত্বকেইটা কি কি?

e) অষ্ট্ৰ'-এছিয়াটিক ভাষিক জনগোষ্ঠীৰ অন্তর্গত দুটা জনগোষ্ঠীৰ নাম লিখা।

f) মানৱ সম্পদ উন্নয়নৰ দুটা সূচক উল্লেখ কৰা।

g) এখন দেশৰ উন্নতিৰ বাবে কেনে ধৰণৰ মানৱ সম্পদৰ প্ৰয়োজন?

h) বিষুৱীয় জলবায়ুৰ অন্তৰ্গত যিকোনো দুখন ঠাইৰ নাম লিখা।

i) বহিৰ্ভেদী আগ্নেয় শিলৰ দুটা উদাহৰণ দিয়া।

j) মাটিৰ যিকোনো দুটা প্ৰধান উপাদানৰ নাম লিখা।

k) ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ দুটা ক্ষমতা লিখা।

3. তলৰ যিকোনো ছটা প্ৰশ্নৰ উত্তৰ লিখা : $3 \times 6 = 18$

a) ভাৰতত পৰ্তুগীজসকল কিয় ব্যৰ্থ হৈছিল লিখা।

b) বশ্যতামূলক মিত্ৰতা নীতিৰ বিষয়ে চমুকৈ লিখা।

c) উত্তৰ-পূৰ্বাঞ্চল নগৰীকৰণৰ দিশত পিছপৰি থকাৰ তিনিটা কাৰণ লিখা।

d) পাহাৰীয়া অঞ্চলতকৈ ভৈয়াম অঞ্চলত জনবসতি ঘন হোৱাৰ তিনিটা কাৰণ লিখা।

e) বিষুৱীয় অঞ্চলৰ উদ্ভিদৰ বিষয়ে লিখা।

f) শিল কি কি কামত ব্যৱহাৰ কৰা হয় তিনিটা উদাহৰণ লিখা।

g) ৰাষ্ট্ৰসংঘৰ সদস্য ৰাষ্ট্ৰবোৰে পালন কৰিবলগীয়া তিনিটা নীতি লিখা।

4. তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : $4 \times 3 = 12$

a) পলাচী যুদ্ধ কিমান খৃ.ত সংঘটিত হৈছিল? এই যুদ্ধৰ ফলাফলসমূহ লিখা।

b) লৰ্ড বেণ্টিংকৰ সামাজিক সংস্কাৰৰ বিষয়ে লিখা।

c) ভক্তিবাদৰ চাৰিটা সামাজিক গুৰুত্ব লিখা।

d) বতৰ আৰু জলবায়ুৰ ওপৰত প্ৰভাৱ পেলোৱা যিকোনো চাৰিটা ভৌগোলিক কাৰক উল্লেখ কৰা।

e) ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ চাৰিটা ক্ষমতা আৰু কাৰ্য্যাৱলী লিখা।

5. তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : 5×2=10

a) ইংৰাজ-ফৰাচী বিবাদত ইংৰাজৰ সফলতাৰ পাঁচটা কাৰণ লিখা।

b) মানব সম্পদ উন্নয়নৰ পাঁচটা কাৰকৰ বিষয়ে চমুকৈ লিখা।

c) ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধানৰ কাৰ্য্যকাল কিমান বছৰ? সচিবপ্ৰধানৰ চাৰিটা দায়িত্ব আৰু কৰ্তব্য উল্লেখ কৰা।

6. তলৰ শব্দবোৰৰ ইংৰাজী প্ৰতিশব্দ লিখা : ½×6=3

a) ফৌজদাৰী

b) আন্তঃগাঁথনি

c) অক্ষাংশ

d) সাৰ

e) ন্যায়

f) সিংহাসন

*অথবা*

তুন্দ্ৰা জলবায়ুৰ বিষয়ে চমুকৈ লিখা।

7. প্ৰকল্প। (ইতিমধ্যে সম্পন্ন হৈছে।) 10

★★★

# वार्षिक परीक्षा, 2024-25

## श्रेणी : सप्तम

## विषय : हिंदी

समय : 3 घंटे कुल अंक : 100

*(दायीं ओर का अंक प्रत्येक प्रश्न के लिए निर्धारित मूल्यांक सूचित करता है।)*

1. 'इनसे सीखो' कविता की पहली **दस पंक्तियाँ** कण्ठस्थ लिखो। 8

2. **सम्पूर्ण वाक्य में उत्तर लिखो :** 1×10=10

क) साधु से क्या पूछना चाहिए?

ख) फूल हमें क्या सिखाता है?

ग) शिशु कृष्ण किसके सामने शिकायत करता है?

घ) द्रोण एक गाय के लिए किसके पास गये थे?

ङ) कल्पना चावला का जन्म कब और कहाँ हुआ था?

च) हॉकी का खेल कितनी मिनट की पालियों में खेला जाता है?

छ) प्रदूषण के बारे में किसने अखबार में महत्वपूर्ण लेख लिखा है?

ज) कल्पना-चावला ने एम. एस. सी. की उपाधि कहाँ से प्राप्त की?

झ) प्रभात कितने साल की हैं?

ञ) प्रभात मानसी के घर क्यों आता हैं?

3. **उत्तर लिखो :** 2×5=10

क) कल्पना चावला के माता-पिता के नाम क्या थे?

ख) अश्वत्थामा कौन था? किससे मिलने हेतु द्रोण हस्तिनापुर चले गये?

ग) प्रभात और मानसी का साथ देने में कौन तैयार है और क्यों ?

घ) 'हॉकी का जादूगर' किन्हें माना जाता है ? 'अखिल भारतीय हॉकी संघ' की स्थापना कब हुई ?

ङ) मीठी वाणी क्यों बोलनी चाहिए ?

4. 'अपनी कमाई' कहानी को सरल हिन्दी में लिखो। 10

5. शब्दार्थ लिखो : $1\times3=3$

सहित, राहत, शीश

6. हॉकी खेल के तीन नियम लिखो। 3

7. 'क' अंश के साथ 'ख' अंश को मिलाओ : $1\times3=3$

| 'क' अंश : | 'ख' अंश : |
|---|---|
| अर्जुन | द्रोणाचार्य का पुत्र |
| द्रुपद | तृतीय पांडव |
| अश्वत्थामा | पांचाल राज्य का राजा |

8. टिप्पणी लिखो : ( किसी एक के बारे में ) 3

कबीरदास, सूरदास

9. समानार्थी शब्द लिखो : $1\times3=3$

पेड़, अखबार, स्वच्छन्द

10. वचन परिवर्तन करो : $1\times3=3$

आदमी, सेना, टोपी

11. विपरीतार्थक शब्द लिखो : $1\times3=3$

संतुलन, सफ़ाई, स्वार्थ

12. लिंग परिवर्तन करो : 1×3=3

पड़ोसी, माली, पुत्र

13. वाक्य बनाओ : 1×3=3

सहायता, शिकायत, वैज्ञानिक

14. निम्नलिखित किसी एक विषय पर निबंध लिखो : 10

क) समय का सदुपयोग।

ख) हिन्दी क्यों सीखनी चाहिए?

ग) संस्कृति का केन्द्र माजुली।

15. हिन्दी में अनुवाद करो : (**किन्हीं पाँच के**) 1×5=5

क) ৰাতিপুৱাৰ পৰা বৰষুণ দি আছে।

ख) গণতন্ত্ৰ দিৱস ২৬ জানুৱাৰীত পালন কৰা হয়।

ग) ভাৰতৰ প্ৰধানমন্ত্ৰী কোন?

घ) গংগা এখন দীঘল নদী।

ङ) তুমি কি খায় ভাল পোৱা?

च) বেনাৰস এখন প্ৰসিদ্ধ চহৰ।

16. श्रुतलेख (सम्पन्न हो चुका है)। 10

17. प्रकल्प (सम्पन्न हो चुका है)। 10

***

# বছৰেকীয়া পৰীক্ষা, 2024-25

## শ্ৰেণী : সপ্তম

## বিষয় : অসমৰ ইতিহাস

সময় : 2 ঘণ্টা মুঠ মূল্যাংক : 50

*( সোঁফালে থকা সংখ্যাই প্ৰতিটো প্ৰশ্নৰ বাবে নিৰ্ধাৰিত মূল্যাংক বুজাইছে।)*

1. একোটিকৈ বাক্যত উত্তৰ লিখা : 1×7=7

   a) স্বৰ্গদেউ ৰুদ্ৰ সিংহৰ মৈদামটোৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

   b) প্ৰাচীন কামৰূপৰ ৰজা ভগদত্তৰ জীয়েকৰ নাম কি আছিল?

   c) নামনি অসমত কোনজন ৰজাৰ ৰাজত্বকালৰ পৰা মুদ্ৰাৰ ব্যৱহাৰ হৈছিল?

   d) অসমীয়া মানুহৰ সাজ-পোছাকৰ বিষয়ে উল্লেখ থকা যিকোনো এখন গ্ৰন্থৰ নাম লিখা।

   e) গেন খেলৰ লগত আধুনিক কোনবিধ খেলৰ মিল আছে?

   f) লোকাপাৰ অলংকাৰবিধ শৰীৰৰ কোন অংশত পিন্ধা হয়?

   g) লোক-বিশ্বাস কাক বোলে?

2. খালী ঠাই পূৰ কৰা : (সম্পূৰ্ণ বাক্যত লিখিবা।) 1×5=5

   a) আহোমসকল আদিতে ____ লোক আছিল বুলি কোৱা হয়।

   b) আনুষ্ঠানিকভাৱে আহোম ৰজা ____ ৰ ৰাজত্বকালতহে অসমত হাট বা বজাৰ পতা হৈছিল।

   c) বড়োসকলে ব'হাগ বিহুক ____ বোলে।

   d) জুই, শিল, বৰষুণ, ধুমুহাৰ পৰা ৰক্ষা পাবলৈ ঘৰৰ নিচেই কাষতে ____ গছ ৰোৱাৰ লোক-বিশ্বাস আছিল।

   e) অসমৰ বড়ো-কছাৰীসকলে মাঘ বিহুৰ মেজিটোক ____ বুলি কয়।

3. চৰাইদেউৰ উপৰি অসমৰ ক'ত ক'ত মৈদাম থকা দেখা যায়? ½×4=2

4. মধ্যযুগৰ অসমৰ দুটা প্ৰধান বণিক গোষ্ঠীৰ নাম লিখা। 2

5. কৰম পূজা কোন মাহত পালন কৰা হয়? কৰম পূজাৰ প্ৰকাৰ দুটা কি কি? 1+1=2

6. চমুটোকা লিখা : (যিকোনো দুটাৰ।) 3×2=6

a) টুচুপৰ্ব

b) অসমৰ জীৱ-জন্তু সম্পৰ্কীয় খেল

c) বিৰি আৰু গামখাৰু

7. আহোম যুগৰ পুখুৰী খন্দোৱা বা সজোৱাৰ যিকোনো এটা পদ্ধতি বৰ্ণনা কৰা। 4

8. পুৰণি অসমত বেপাৰ-বাণিজ্য কৰাৰ ক্ষেত্ৰত থকা চাৰিটা অসুবিধা উল্লেখ কৰা। 4

9. অসমত পালন কৰা ধৰ্মীয় উৎসৱৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা। 4

10. অসমৰ পুৰুষসকলে ধুতি-চুৰিয়া পিন্ধাৰ শৈলী বা নিয়মৰ বিষয়ে লিখা। 4

*অথবা*

অসমীয়া মহিলাৰ সাজ-পাৰৰ বিষয়ে চমুকৈ লিখা।

11. অসমত লো-ধাতুৰ সৈতে কেনে ধৰণৰ লোকবিশ্বাস জড়িত হৈ আছে? মাছ ধৰাৰ লগত জড়িত দুটা লোকবিশ্বাস উল্লেখ কৰা। 3+2=5

*অথবা*

অসমত প্ৰচলিত সামাজিক অনুষ্ঠানমূলক উৎসৱৰ বিষয়ে বহলাই লিখা।

12. আহোম যুগৰ শ সৎকাৰ পদ্ধতিৰ বিষয়ে বৰ্ণনা কৰা। 5

*অথবা*

অসমৰ কৃষিভিত্তিক উৎসৱসমূহৰ বিষয়ে বহলাই লিখা।

★★★

# বছৰেকীয়া পৰীক্ষা, 2024-25

## শ্ৰেণী : সপ্তম

## বিষয় : সাধাৰণ জ্ঞান আৰু মানসিক সামৰ্থ্য

সময় : 1 ঘণ্টা 30 মিনিট

মুঠ মূল্যাংক : 50

(নিৰ্দেশনা : প্ৰশ্নসমূহৰ উত্তৰ সুকীয়াকৈ যোগান ধৰা উত্তৰ পত্ৰখনত লিখিবা।)

(প্ৰতিটো প্ৰশ্নৰ মূল্যাংক 1)

### 'ক' অংশ

### সাধাৰণ জ্ঞান (মূল্যাংক : 25)

1. কবিৰাজ চক্ৰবৰ্তী কোনগৰাকী আহোম স্বৰ্গদেউৰ ৰাজসভাৰ বিখ্যাত পণ্ডিত আছিল?
   A) স্বৰ্গদেউ গদাধৰ সিংহ B) স্বৰ্গদেউ ৰুদ্ৰ সিংহ
   C) স্বৰ্গদেউ জয়ধ্বজ সিংহ D) স্বৰ্গদেউ প্ৰমত্ত সিংহ

2. কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জৰ ৰাজধানী পৰ্ট ব্লেয়াৰৰ নতুন নামটো হ'ল—
   A) শ্ৰীবিজয়া পুৰম B) কাঞ্চীপুৰম C) শ্ৰীৰামপুৰম D) মহাবলীপুৰম

3. 'শান্তিস্বৰূপ ভাটনাগৰ বঁটা' কোনটো ক্ষেত্ৰৰ লগত জড়িত?
   A) ক্ৰীড়া B) চলচ্চিত্ৰ C) বিজ্ঞান D) সাংবাদিকতা

4. 2026 চনত 'হোম অৱ ক্ৰিকেট' খ্যাত লৰ্ডছ ক্ৰিকেট গ্ৰাউণ্ডত মহিলাৰ দুটা দলৰ মাজত প্ৰথমখন টেষ্ট মেচ অনুষ্ঠিত হ'ব। তাৰে এটা দল হ'ল ভাৰত। আনটো দলৰ নাম কি?
   A) নিউজিলেণ্ড B) দক্ষিণ আফ্ৰিকা C) অষ্ট্ৰেলিয়া D) ইংলেণ্ড

5. পঃৰাগ বা নৰাছিগা বিহু তলৰ কোনটো জনগোষ্ঠীয়ে পালন কৰে?
   A) মিচিং B) বড়ো C) কাৰ্বি D) ডিমাচা

6. ভাৰতৰ কোনখন ৰাজ্যত হীৰা পোৱা যায়?
   A) তামিলনাডু B) মধ্যপ্ৰদেশ C) বিহাৰ D) ঝাৰখণ্ড

7. 2024 চনত চিকিৎসাবিজ্ঞানত ন'বেল বঁটা লাভ কৰা বিজ্ঞানী দুজন হ'ল—
   A) ডেভিদ বেকাৰ আৰু ডেমিছ হাছাবিছ B) ভিক্টৰ এমব্ৰোছ আৰু গেৰি ৰুভকুন
   C) ইভা নোডাব আৰু এনৰিকো ফাৰ্মি D) ডেভিদ বাল্টিমোৰ আৰু জেম্‌ছ ডি ৱাটছন

8. আহোমসকলে মৈদাম দিওঁতে ব্যৱহাৰ কৰা সামগ্ৰী এবিধ হ'ল—
   A) চূণশিল B) বালি C) খৰি D) চিমেণ্ট

9. অসমৰ বুৰঞ্জীপ্ৰসিদ্ধ কোনখন ঠাইৰ পুৰণা নাম হেমেনাবাৰী?
   A) ধুবুৰী B) তেজপুৰ C) গড়গাঁও D) পথৰুঘাট

10. 'পেছো' কোনখন দেশৰ প্ৰচলিত মুদ্ৰাৰ নাম?
    A) বাংলাদেশ B) ফিলিপাইনছ C) শ্ৰীলংকা D) ভাৰত

11. অসমৰ প্ৰথমটো চিত্ৰগৃহৰ নাম কি?
    A) জোনাকী B) কেলভিন C) জ্যোতি চিত্ৰবন D) অপ্সৰা

12. মাতৃ জয়মতীৰ নামত স্বৰ্গদেউ ৰুদ্ৰ সিংহই খন্দোৱা পুখুৰীটোৰ নাম কি?
    A) ৰাজমাও পুখুৰী B) জয়সাগৰ পুখুৰী C) লখিমী পুখুৰী D) শিৱসাগৰ পুখুৰী

13. অসমৰ কোনখন জিলাক 'শ্ৰীভূমি' নামেৰে নতুনকৈ নামকৰণ কৰা হৈছে?

A) কোকৰাঝাৰ B) কৰিমগঞ্জ C) হাইলাকান্দি D) কাছাৰ

14. 'ছেৰি বুদ্ধ' নামৰ উপন্যাসখন কোনে ৰচনা কৰিছিল?

A) জে কে ৰাউলিং B) ষ্টিফেন কিং C) হান কাং D) জন মিল্টন

15. বৰ্তমান 'ৰাষ্ট্ৰীয় মহিলা আয়োগ'ৰ অধ্যক্ষা হিচাপে তলৰ কোনগৰাকী ব্যক্তিক নিযুক্তি দিয়া হৈছে?

A) বিজয়া ৰাহাটকাৰ B) নিৰ্মলা সীতাৰমণ C) নীতা আম্বানি D) স্মৃতি ইৰানি

16. তলৰ কোনবিধ জীৱাশ্ম ইন্ধন নহয়?

A) কয়লা B) পেট্ৰ'লিয়াম C) প্ৰাকৃতিক গেছ D) সৌৰ শক্তি

17. প্ৰথম অসমীয়া শিশু চলচ্চিত্ৰখনৰ নাম হ'ল—

A) অবুজ বেদনা B) অপৰূপা C) তৰা D) ঈশু

18. অস্কাৰ বঁটা লাভ কৰা প্ৰথম ভাৰতীয়জন হ'ল—

A) ভানু আথাইয়া B) সত্যজিৎ ৰায় C) এ আৰ ৰহমান D) আমিৰ খান

19. দ্ৰোণাচাৰ্য্য বঁটা কি উদ্দেশ্যে দিয়া হয়?

A) ক্ৰীড়াৰ ক্ষেত্ৰত দেখুওৱা বিশেষ সফলতাৰ বাবে
B) খেলুৱৈৰ সফল প্ৰশিক্ষকসকলক প্ৰদান কৰাৰ বাবে
C) ব্যৱসায়ত দেখুওৱা বিশেষ সফলতাৰ বাবে
D) কলাত দেখুওৱা বিশেষ সফলতাৰ বাবে

20. তলৰ কোনটো উৎসৱ নাগালেণ্ডত পালন কৰা হয়?

A) টিউলিপ B) কুম্ভমেলা C) অ'নাম D) হৰ্ণবিল

21. ভাৰতৰ কোনখন ৰাজ্যত জিংক পোৱা যায়?

A) ৰাজস্থান B) অসম C) বিহাৰ D) তামিলনাডু

22. স্বৰ্ণকমল বঁটাপ্ৰাপ্ত প্ৰথম অসমীয়া বোলছবিখন হ'ল—

A) পুৱেৰুণ
B) হালধীয়া চৰায়ে বাওধান খায়
C) সন্ধ্যাৰাগ
D) ৰঙা পুলিচ

23. 'লাইফ অন দ্য মিচিচিপি' গ্ৰন্থৰ ৰচয়িতা হ'ল—

A) জৰ্জ ইলিয়ট B) জৰ্জ অৰৱেল C) মাৰ্ক টোৱেন D) উইলিয়াম ৱৰ্ডছৱৰ্থ

24. মৈদামৰ জোখ কি এককত লোৱা হয়?

A) মাইল B) মিটাৰ C) হাত D) ছেণ্টিমিটাৰ

25. চিত্ৰত থকা ব্যক্তিগৰাকী চিনাক্ত কৰা—



A) পাথুম নিছাংকা ছিলভা
B) অনুৰা কুমাৰ দিশানায়কে
C) এম কে ষ্টালিন
D) পিনাৰায়ী বিজয়ন

## 'খ' অংশ

## মানসিক সামৰ্থ্য (মূল্যাংক : 25)

**নিৰ্দেশনা :** তলৰ প্ৰশ্নসমূহৰ '?' চিনৰ ঠাইত কোনটো বহিব বাছি উলিওৱা : (প্ৰশ্ন নং 26ৰ পৰা 31লৈকে)

26. 17, 13, 11, 7, 5, ?

A) 0 B) 4 C) 2 D) 3

27. R, U, X, A, D, ?

A) F B) G C) H D) I



Contd.

28. 3B, 9F, 27J, ?

A) 80L B) 81L C) 81N D) 80N


29. 17, 31, 48, 79, 12, 7 ?

A) 174 B) 162 C) 216 D) 206

30. 5 : 21 : : 7 : ?

A) 25 B) 30 C) 49 D) 43

31.




A) 41 B) 42 C) 43 D) 44

32. এজন লোকে উত্তৰ দিশত খোজ কাঢ়ি আছে। যদি তেখেতে সোঁফালে ঘূৰি কিছুদূৰ যোৱাৰ পাছত আকৌ সোঁফালে ঘূৰি খোজ কাঢ়ি যায়, তেন্তে বৰ্তমান তেখেত কোনটো দিশত আছে?

A) উত্তৰ B) দক্ষিণ C) পূব D) পশ্চিম

33. এটা ঘড়ীত 4:30 বাজি থকা সময়ত যদি মিনিটৰ কাঁটাডাল পূব দিশত থাকে তেন্তে সেই সময়ত ঘণ্টাৰ কাঁটাডাল কোন দিশত থাকিব?

A) দক্ষিণ-পূব B) উত্তৰ-পূব C) উত্তৰ D) উত্তৰ-পশ্চিম

34. এজন ব্যক্তি A বিন্দুৰ পৰা খোজ কাঢ়ি 5 কিমি. উত্তৰলৈ গ'ল। তাৰ পাছত সোঁফালে ঘূৰি 3 কিমি. খোজ কাঢ়ি গ'ল। আকৌ পুনৰ সোঁফালে ঘূৰি 5 কিমি. খোজ কাঢ়ি গ'ল। আকৌ পুনৰ সোঁফালে ঘূৰি 5 কিমি. খোজ কাঢ়িলে। শেষত বাঁওফালে ঘূৰি 2 কিমি. আগ বাঢ়িল। এতিয়া তেওঁ A বিন্দুৰ পৰা কোন দিশত আছে?

A) পূব B) পশ্চিম C) উত্তৰ D) দক্ষিণ

35. এজন মানুহে এটা ঘৰৰ দৰ্জা খুলি উত্তৰফালে গ'লে সোঁফালে এটা কোঠালি পায়। কোঠালিটোত সোমায়েই বাঁওফালে এখন খিৰিকী পোৱা যায়। যদি মানুহজনে খিৰিকীৰ ফালে মুখ কৰি থিয় হৈ থাকে তেন্তে তেওঁৰ মুখখন কোনফালে থাকিব?

A) উত্তৰফালে B) পশ্চিমফালে C) দক্ষিণফালে D) পূবফালে

36. এজনী ছোৱালীলৈ দেখুৱাই ৰাহুলে ক'লে, "এই ছোৱালীজনী মোৰ মাৰ নাতিয়েকৰ পত্নী হয়।" ৰাহুল, ছোৱালীজনীৰ কি হয়?

A) দেউতা B) খুৰা C) পতি (স্বামী) D) শহুৰ-দেউতা

37. A, Bৰ দেউতাক, C, Aৰ ভায়েক আৰু D, Bৰ ভনীয়েক। যদি E, Aৰ দেউতাক হয়, তেনেহ'লে D, C ৰ কি হয়?

A) ভনী B) ভাতৃ C) ভতিজী D) নাতি

38. A, Cৰ দেউতাক আৰু D, Bৰ পুতেক। যদি C, Dৰ ভনীয়েক তেন্তে B, Cৰ কি হয়?

A) মা B) ভনী C) জীয়ৰী D) আইতা

39. A, Bৰ ভনীয়েক। C, Bৰ মাক। D, Cৰ দেউতাক। তেনেহ'লে A, Dৰ কি হ'ব?

A) আইতা B) ককাদেউতা C) জীয়ৰী D) নাতিনী

40. মিতা ৰীতাতকৈ ওখ কিন্তু ছোনিয়াৰ সমান ওখ নহয়। ৰীতা, সবিতাতকৈ ওখ। ছোনিয়া, ৰূপাৰ সমান ওখ নহয়। তেওঁলোকৰ ভিতৰত আটাইতকৈ ওখ কোন?

A) ৰূপা B) মিতা C) ছোনিয়া D) সবিতা

41. এটা শ্ৰেণীত ছোৱালীবোৰ এটা শাৰীত থিয় হৈ আছে। এজনী ছোৱালীৰ দুয়োফালৰ পৰা স্থান 19 তম হ'লে মুঠ ছোৱালীৰ সংখ্যা কিমান?

A) 27 B) 37 C) 38 D) 39


42. 5314687 সংখ্যাটোৰ অংককেইটা ঊৰ্ধক্ৰমত সজাই সংখ্যাটো নতুনকৈ লিখিলে কিমানটা অংকৰ স্থান অপৰিবৰ্তিত থাকিব?

A) 1 টা B) 3টা C) 4 টা D) 2 টা

43. পাঁচজনী ছোৱালী একে শাৰীত বহি আছে। মৃদুলাৰ বাঁওফালে কল্পিতা। মেঘা অৰ্পণাৰ সোঁফালে। সংগীতা, মেঘা আৰু কল্পিতাৰ মাজত। তলৰ কোনজনী ছোৱালী শাৰীটোৰ একেবাৰে সোঁফালে আছে?


A) মৃদুলা B) অৰ্পণা C) কল্পিতা D) মেঘা

44. তলত এটা ঘনকৰ তিনিটা অৱস্থান দেখুওৱা হৈছে। ঘনকটোৰ 6খন পিঠিত থকা আখৰকেইটা হ'ল A,B,C,D,E,F। অৱস্থানকেইটা চাই Fৰ বিপৰীতে কি হ'ব উলিওৱা।





A) E B) F C) D D) B

45. তলত এটা ঘনকৰ চাৰিটা অৱস্থান দেখুওৱা হৈছে। ঘনকটোৰ 6খন পিঠিত থকা আখৰকেইটা হ'ল A,B,C,D,E,F। অৱস্থানকেইটা চাই Dৰ বিপৰীতে কি হ'ব উলিওৱা।





A) E B) B C) A D) C

46. তলত এটা ঘনকৰ দুটা অৱস্থান দেখুওৱা হৈছে। ঘনকটোৰ 6 খন পিঠিত থকা সংখ্যাকেইটা হ'ল 1, 2, 3, 4, 5, 6। অৱস্থানকেইটা চাই 4ৰ বিপৰীতে কি বহিব উলিওৱা।




A) 2 B) 3 C) 1 D) 4

47. তলত এটা ঘনকৰ তিনিটা অৱস্থান দেখুওৱা হৈছে। ঘনকটোৰ 6 খন পিঠিত থকা সংখ্যাকেইটা হ'ল 1, 2, 3, 4, 5, 6। অৱস্থানকেইটা চাই 5 ৰ বিপৰীতে কি হ'ব উলিওৱা।




A) 6 B) 1 C) 3 D) 2

48. কোনো এটা পৰীক্ষাত A ই B তকৈ বেছি নম্বৰ পালে। C য়ে D তকৈ কম পালে যদিও A তকৈ বেছি পালে। E য়ে B তকৈ বেছি কিন্তু A তকৈ কম নম্বৰ পালে। কোনে আটাইতকৈ বেছি নম্বৰ পালে?

A) A B) C C) D D) B

**নিৰ্দেশনা : তলৰ তথ্যখিনি পঢ়ি প্ৰশ্নসমূহৰ উত্তৰ কৰা : (প্ৰশ্ন নং 49 আৰু 50)**

A, B, C, D আৰু E এখন বেঞ্চত একেমুখ কৰি বহি আছে। A ৰ সোঁফালে B আছে আৰু C ৰ বাঁওফালে D বহি আছে। আকৌ E ৰ সোঁফালে দুই নম্বৰত C বহি আছে। যদি A ৰ বাঁওফালে C বহে, তেন্তে—

49. B ৰ সোঁফালে কোন আছে?

A) B B) C C) A D) কোনো নাই

50. A আৰু D ৰ মাজত কোন আছে?

A) E B) C C) D D) কোনো নাই

★★★